**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-SEP-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**--------------------**

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা আজি পুৱা ৮ বজাৰ পৰা আৰম্ভ হৈছে। ৪০টা পৰিষদীয় সমষ্টিৰ বাবে হোৱা ভোটগণনা পুৱাৰে পৰা কটকটীয়া নিৰাপত্তাৰ মাজেৰে চলি আছে। শেহতীয়া তথ্য মতে এই পৰ্যন্ত ২১খন আসনত বি পি এফে অগ্ৰগতি লাভ কৰিছে। ইউ পি পি এলে ৮খন, বিজেপিয়ে ৮খন আসনত অগ্ৰগতি লাভ কৰি আছে। প্ৰথমে পোষ্টেল বেলটৰ ভোটগণনা কৰা হৈছে। তামুলপুৰ জিলাৰ বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ গৃহ সমষ্টি ২৮নং গয়বাৰী পৰিষদীয় সমষ্টিৰ প্ৰথম ৰাউণ্ডৰ অন্তত ইউ পি পি এলে ৪ হাজাৰ ৫১২টা ভোট লাভ কৰাৰ বিপৰীতে বি পি এফে ৩ হাজাৰ ৬৩০টা ভোট লাভ কৰিছে। তামুলপুৰ জিলাৰ ভোটগণনাৰ অগ্ৰগতি সন্দৰ্ভত এয়া আমাৰ জিলাখনৰ সংবাদদাতা নয়নজ্যোতি দাস -

**বাইট**

ককলাবাৰী পৰিষদীয় সমষ্টিৰ প্ৰথম ৰাউণ্ডৰ ভোটগণনাৰ অন্তত ইউ পি পি এলে ৩ হাজাৰ ৫৫৫, বি পি এফে দুহেজাৰ ৪৪১ আৰু বি জে পিয়ে দুহেজাৰ ৬২৩টা ভোট লাভ কৰিছে।

এই ভোটগণনাৰ জৰিয়তে ৩১৬ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। আবেলিৰ ভিতৰত আটাইকেইটা সমষ্টিৰ ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো এদিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন পূজা মণ্ডপত পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ৰাজ্যবাসীয়ে বেদীত দুৰ্গাৰ প্ৰতিমূৰ্তি স্থাপন কৰি পূজা-অৰ্চনাৰ বাবে সাজু হৈছে যদিও জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ শোকত ম্ৰিয়মান হৈ থকাৰ বাবে পূজাৰ উছাহ ম্লান পৰিছে। শিল্পীগৰাকীৰ আকস্মিক দেহাৱসানে সৃষ্টি কৰা শূন্যতাৰ পৰিৱেশৰ সৈতে এতিয়াও ৰাজ্যবাসী সহজ হৈ উঠা নাই। প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত ৰাজ্য শোকাচ্ছন্ন হৈ থকাৰ বাবে বজাৰতো ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হোৱা নাই।

শাৰদীয় নৱৰাত্ৰিৰ কালি চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হৈছে। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়। আনহাতে আজি দেৱী দুৰ্গাক স্কন্দমাতা ৰূপত পূজা কৰা হ'ব। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। দেওবাৰে ষষ্ঠীৰ বেদীত দেৱীক প্ৰতিষ্ঠা কৰা হ'ব। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা কৰা হয়। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পূজা কৰা হয়।

অসম চৰকাৰে ইতিমধ্যে ৰাজ্যৰ ৭ হাজাৰ ৮১৭ খন দুৰ্গা পূজা সমিতিলৈ উৎসৱ উদযাপনৰ বাবে ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াইছে।

০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজিৰেপৰা পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি বনাঞ্চলত আজি পুৱা চাৰে ৭ বজাত জীপ ছাফাৰী আৰম্ভ হৈছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই দুৰ্গা পূজাৰ সময়ত পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ আগতীয়াকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰাৰ সিদ্ধান্ত লৈছে। প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আজি ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰা হয়।

ইপিনে, কাজিৰঙাৰ কঁহৰা বনাঞ্চল অহা অক্টোবৰৰ দ্বিতীয় সপ্তাহত আৰু হাতী ছাফাৰী ১ নৱেম্বৰত মুকলি হোৱাৰ সম্ভাৱনা আছে বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ৰাজ্যৰ অন্য এখন বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান যোৱা বুধবাৰৰপৰা পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হৈছে।

০০০০০০

জোনাই থানাৰ অন্তৰ্গত বেৰাচাপৰিৰ তাৰি নেপালী বস্তিত কালি বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকে প্ৰাণ হেৰুৱায়। স্থানীয় লোকৰ উদ্ধৃতিৰে আমাৰ ধেমাজিৰ সংবাদদাতাই জনোৱা মতে মহেন্দ্ৰ দাস নামৰ ৬৫ বছৰ বয়সীয়া লোকজন পুৱা প্ৰায় ৪ বজাত বিলত মাছ্ ধৰিবলৈ যোৱা অৱস্থাত পবা বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতী এটাক দেখি পলাবলৈ চেষ্টা কৰোতে হাতীটোৱে অতৰ্কিতে আক্ৰমণ কৰাৰ ফলত লোকজনে থিতাতে প্ৰাণ হেৰুৱায়। পাছত আৰক্ষী আৰু বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰে।

০০০০০০

সমাপ্ত